জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

নং ঃ ৩৯২/২০২০

## ৰাজ্যিক দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণৰ মুখ্য কাৰ্যালয় আৰু ৰাজ্যিক জৰুৰীকালীন অভিযান কেন্দ্ৰ পৰিদৰ্শন কৰিলে মুখ্যমন্ত্ৰীয়ে

বানপানী, ধুমুহা, বজ্ৰপাত, নদীৰ জলস্তৰ বৃদ্ধি আদি সংক্ৰান্তত জনগণক আগজাননী দিয়াৰ বাবে যথোচিত পদক্ষেপ গ্ৰহণ কৰিবলৈ মুখ্যমন্ত্ৰীৰ নিৰ্দেশ

**বাৰিষাৰ কালছোৱাত নাও আৰু ফেৰীত যাতায়াত কৰা যাত্ৰীসকলক সুৰক্ষামূলক জেকেট পৰিধান কৰাটো বাধ্যতামূলক কৰাৰ বাবে মুখ্যমন্ত্ৰীৰ নিৰ্দেশ**

**দিছপুৰ, ৩১ মে'ঃ** মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে বানপানী, ধুমুহা, বজ্ৰপাত, নদীৰ জলস্তৰ বৃদ্ধি আদি সংক্ৰান্তত জনগণক আগতীয়াকৈ সাৱধান কৰি দিয়াৰ বাবে দুৰ্যোগৰ আগজাননী প্ৰদান ব্যৱস্থাটোক (আৰ্লি ৱাৰ্ণিং চিষ্টেম) অধিক শক্তিশালী কৰি তোলাৰ বাবে আজি অসম ৰাজ্যিক দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণক নিৰ্দেশ দিয়ে। আজি জনতা ভৱনস্থিত অসম ৰাজ্যিক দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণৰ মুখ্য কাৰ্যালয় আৰু ৰাজ্যিক জৰুৰীকালীন অভিযান কেন্দ্ৰ পৰিদৰ্শন কৰি বিষয়া-কৰ্মচাৰীসকলৰ সৈতে হোৱা এক গুৰুত্বপূৰ্ণ বৈঠকত মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে এই নিৰ্দেশ দিয়ে। মুখ্যমন্ত্ৰীয়ে ৰাজ্যিক জৰুৰীকালীন অভিযান কেন্দ্ৰত ৰাজ্যখনৰ বানপানী সম্পৰ্কীয় বিভিন্ন তথ্যৰ বুজ লয় আৰু যুদ্ধকালীন তৎপৰতাৰে কাম কৰাৰ বাবে বিষয়া-কৰ্মচাৰীসকলক নিৰ্দেশ দিয়ে।

মুখ্যমন্ত্ৰীয়ে কয় যে বানপ্ৰৱণ এলেকাত পৰম্পৰাগতভাৱে নৌকা চলাচল কৰাৰ ক্ষেত্ৰত প্ৰয়োজনীয় সাৱধানতা অৱলম্বন কৰাৰ দিশত আমি সচেষ্ট হ'ব লাগিব। মুখ্যমন্ত্ৰীয়ে নাও আৰু ফেৰীত যাতায়াত কৰা লোকসকলৰ বাবে সুৰক্ষামূলক জেকেট পৰিধান কৰাটো বাধ্যতামূলক কৰাৰ নিৰ্দেশ দিয়ে যাতে বাৰিষাকালত কোনোধৰণৰ অপ্ৰত্যাশিত ঘটনা সংঘটিত হ'ব নোৱাৰে। ইয়াৰ বাবে পঞ্চায়ত পৰ্যায়ত যাৱতীয় সামগ্ৰী যোগান ধৰিবলৈ তেওঁ অসম ৰাজ্যিক দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণক নিৰ্দেশ দিয়ে। ৰাজ্যিক পৰ্যায়ৰ পৰা তৃণমূল পৰ্যায়লৈ সহযোগিতাৰে কাম কৰাৰ ওপৰত গুৰুত্ব আৰোপ কৰি মুখ্যমন্ত্ৰীয়ে ৰাইজৰ মাজত সজাগতা গঢ়ি তোলাৰ বাবে গাঁওবুঢ়াসকলৰ লগত ভিডিঅ' কনফাৰেন্স যোগে মত-বিনিময় কৰিবলৈও নিৰ্দেশ দিয়ে। মুখ্যমন্ত্ৰীয়ে অতিশীঘ্ৰে গাঁওবুঢ়াসকলৰ লগত তেওঁৰ এক টেলিফোনিক কনফাৰেন্সৰ আয়োজন কৰিবলৈ অসম ৰাজ্যিক দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণক নিৰ্দেশ দিয়ে যাতে গাঁওবুঢ়াসকলৰ পৰা তৃণমূল পৰ্যায়ত প্ৰাকৃতিক দুৰ্যোগৰ মুখামুখি হোৱাৰ বাবে গ্ৰহণ কৰা ব্যৱস্থাসমূহৰ বিষয়ে অৱগত হ'ব পৰা যায়।

মুখ্যমন্ত্ৰীয়ে কয় যে অসম ভূমিকম্প প্ৰৱণ অঞ্চল। সেইবাবে ভূমিকম্পৰ সময়ত ল'বলগীয়া ব্যৱস্থাৰাজিৰ সম্পৰ্কত জনসচেতনতা সৃষ্টি কৰাটো অতিশয় প্ৰয়োজনীয় বিষয়। এই ক্ষেত্ৰত জনসাধাৰণৰ মাজত আলোচনা চক্ৰ, মক ড্ৰিল ইত্যাদি সঘনে আয়োজন কৰাৰ ওপৰতো মুখ্যমন্ত্ৰীয়ে গুৰুত্ব আৰোপ কৰে। মুখ্যমন্ত্ৰীয়ে ভূমিকম্পৰ সময়ত আতংকিত নহৈ, কি কি সাৱধানতা অৱলম্বন কৰিব লাগে সেই সন্দৰ্ভত নতুন প্ৰজন্মৰ লগতে সৰ্বসাধাৰণ ৰাইজৰ মাজত ব্যাপক সজাগতা গঢ়ি তোলাৰ বাবেও প্ৰাধিকৰণক নিৰ্দেশ দিয়ে। মুখ্যমন্ত্ৰীয়ে লগতে আকাশবাণী আৰু দূৰদৰ্শনৰ যোগেদি নিউজ বুলেটিন প্ৰচাৰ কৰি বানপানীৰ সময়ছোৱাত জনগণক সঠিক তথ্য যোগান ধৰি সজাগ কৰাৰ বাবেও যথোচিত পদক্ষেপ ল'বলৈ কয়। মুখ্যমন্ত্ৰীয়ে সাহায্য শিবিৰসমূহত যাতে ক'ভিড-১৯ৰ সংক্ৰমণ প্ৰতিৰোধ কৰাৰ বাবে সামাজিক দূৰত্ব বজাই ৰাখে সেই দিশতো সুনিশ্চিত পদক্ষেপ গ্ৰহণ কৰিবলৈ নিৰ্দেশ দিয়ে আৰু অসম ৰাজ্যিক দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণকৰণে বান সাহায্য শিবিৰ সমূহত শিশু অনুকূল ব্যৱস্থা কৰাৰ বাবে মুখ্যমন্ত্ৰীয়ে ধন্যবাদ জ্ঞাপন কৰে।

মুখ্যমন্ত্ৰীয়ে এই প্ৰতিকূল পৰিস্থিতিত জাগ্ৰত প্ৰহৰীৰ ভূমিকা পালন কৰি ৰাইজৰ সুৰক্ষাৰ বাবে ঐক্যবদ্ধভাৱে কাম কৰি যাবলৈ এন ডি আৰ এফ আৰু এছ ডি আৰ এফক আহ্বান জনায়। বৈঠকত বানপানীৰ পৰিপ্ৰেক্ষিতত অসম ৰাজ্যিক দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণে গ্ৰহণ কৰা বিভিন্ন ব্যৱস্থা তথা সাহায্য আৰু উদ্ধাৰ অভিযানৰ সবিশেষ মুখ্যমন্ত্ৰীক অৱগত কৰে।

আজিৰ এই বৈঠকত বিধায়ক মৃণাল শইকীয়া, মুখ্য সচিব কুমাৰ সঞ্জয় কৃষ্ণ, অতিৰিক্ত মুখ্য সচিব জিষ্ণু বৰুৱা, অসম ৰাজ্যিক দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণৰ মুখ্য কাৰ্যবাহী বিষয়া এম এছ মনিবন্নন প্ৰমুখ্যে এন ডি আৰ এফ, এছ ডি আৰ এফ, অসম ৰাজ্যিক দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণ ইত্যাদিৰ শীৰ্ষ বিষয়াসকল উপস্থিত থাকে।

**স্বাঃডেঃ/ পুঃডেঃ**
**৩১/৫/২০২০**